**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। অসমৰ গৌৰৱময় ইতিহাস সংৰক্ষণৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গুৱাহাটীত শৰাইঘাট ৰণৰ স্মৃতিসৌধ উদ্বোধন।

২। ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ আজি অন্তিম দিন।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আজি গুৱাহাটীৰ লাচিত ঘাটত ব্ৰহ্মপুত্ৰ দীপস্তম্ভৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কাৰ্যসূচী।

৪। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি। ধেমাজিত আজি বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা। *আৰু*

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি ভাৰত আৰু ইংলেণ্ড মুখামুখি।

০০০০০০

অসমৰ ইতিহাস সংৰক্ষণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গুৱাহাটীত কালি শৰাইঘাট ৰণৰ স্মৃতিসৌধ উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই স্মৃতিসৌধ উদ্বোধন কৰাৰ লগতে পাণবজাৰত ব্ৰহ্মপুত্ৰ নদীপাৰ উদ্যানৰ সম্প্ৰসাৰণ কাৰ্যৰো আধাৰশিলা স্থাপন কৰে। স্মৃতিসৌধ উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে শৰাইঘাট ৰণৰ ১৩২ গৰাকী বীৰৰ নাম খোদিত তথা ঐতিহ্যবাহী আহোম স্থাপত্যৰ আৰ্হিত নিৰ্মিত এই সৌধে গৌৰৱময় ইতিহাস নৱ প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাৰ উপৰি গৱেষণাৰ সমলো প্ৰদান কৰিব। সাঁচিপাতৰ পুথিত পোৱা তথ্যৰ ভিত্তিত বীৰ লাচিত বৰফুকনক বিভিন্ন ধৰণে সহায় কৰা বীৰসকলৰ তথ্য এই স্থানত সংলগ্ন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। স্মৃতিসৌধটোৱে সেই সময়ৰ আহোম শাসন ব্যৱস্থা, যুদ্ধৰ প্ৰস্তুতি, স্বকীয় পৰম্পৰা, জাতি জনগোষ্ঠীৰ ইতিহাস সম্পৰ্কেও সমল দিব বুলি তেওঁ কয়। এই স্থানৰ পৰা উত্তৰ প্ৰজন্মই শৰাইঘাট ৰণৰ অকথিত বীৰগাঁথা সম্পৰ্কে অৱগত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট**

ইপিনে, কালি আধাৰশিলা স্থাপন কৰা ব্ৰহ্মপুত্ৰ নদীপাৰ প্ৰকল্পৰ তৃতীয় পৰ্যায় সম্পূৰ্ণ হৈ উঠিলে পৰ্যটক আৰু স্থানীয় নাগৰিকৰ বাবে আকৰ্ষণীয় বিনোদন কেন্দ্ৰ হৈ উঠিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পুৰণি বাসভৱনটো ঐতিহ্যক্ষেত্ৰ হিচাপে সংৰক্ষণ কৰি ইয়াক বস্ত্ৰ সংগ্ৰহালয় হিচাপে গঢ়ি তোলা হ'ব বুলি উল্লেখ কৰে। তেওঁ কয়, যে বাসভৱনটোৰ পিছফালেৰে ব্ৰহ্মপুত্ৰৰ কাষেৰে নদীপাৰ উদ্যানখন সংযোগ কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি গুৱাহাটী মহানগৰৰ যানজঁট নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ হিচাপে ভৰলুমুখৰ দীনেশ গোস্বামী উৰণ সেতুখন উদ্বোধন কৰে। লোকনিৰ্মাণ বিভাগ আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ উদ্যোগত মুঠ ৯৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উৰণ সেতুখনে ৰে'ল লাইনৰ ওপৰেৰে নিৰৱচ্ছিন্নভাবে যান-বাহনৰ চলাচল সুনিশ্চিত কৰাৰ উপৰি ৰে'ল ক্ৰছিঙত দুৰ্ঘটনা তথা বায়ু আৰু শব্দ প্ৰদূষণ হ্ৰাস কৰিব। এই সেতুখনে

মাছখোৱা-শান্তিপুৰৰ লগতে শ্লুইজগে'টক সংযোগ কৰিছে। ভৰলুমুখৰ সোণাৰাম খেলপথাৰত কালি সন্ধিয়া এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই অংশ লয়।

০০০০০০

ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ আজি অন্তিম দিন। অসমৰ খালী হ'বলগীয়া ৩ খন আসনৰ ভিতৰত দুখনৰ বাবে বিজেপিৰ তেৰছ গোৱালা আৰু যোগেন মহনে আজি মনোনয়ন দাখিল কৰিব বুলি জানিব পৰা গৈছে। অৱশ্যে তৃতীয়খন আসনৰ বাবে এই পৰ্যন্ত প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰা হোৱা নাই। বিৰোধী পক্ষইও প্ৰাৰ্থী সন্দৰ্ভত কোনো কথা স্পষ্ট কৰা নাই। উল্লেখযোগ্য যে ১৬ মাৰ্চত অসমসহ অন্যান্য ৰাজ্যত খালী হ'বলগীয়া ৰাজ্যসভাৰ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আজি গুৱাহাটীৰ লাচিত ঘাটত ব্ৰহ্মপুত্ৰ দীপস্তম্ভৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰা হ'ব। নদী পৰ্যটনৰ সৰলীকৰণ আৰু বহনক্ষম বিকাশ নিশ্চিত কৰাৰ লক্ষ্যৰে তথা ৮৪ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলৈ লোৱা এই প্ৰকল্প বগীবিল, পাণ্ডু, বিশ্বনাথ ঘাট আৰু শিলঘাটক সামৰি ল'ব। এই দীপস্তম্ভই ব্ৰহ্মপুত্ৰৰে সুৰক্ষিত আৰু নিৰৱচ্ছিন্ন জাহাজ চলাচল, ৰাষ্ট্ৰীয় জলপথ-২ৰ যাত্ৰী আৰু মালবাহী জাহাজৰ চলাচল বৃদ্ধি, নদী ক্ৰুজ পৰ্যটন তথা স্থানীয় উদ্যমিতাৰ প্ৰসাৰ, কৰ্মসংস্থাপন সৃষ্টি আদি সুনিশ্চিত কৰিব। আজিৰ এই আধাৰশিলা স্থাপন কাৰ্যসূচীত অসম চৰকাৰৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা আৰু চৰণ বড়োৰ লগতে সাংসদ বিজুলী কলিতা মেধি তথা বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যও উপস্থিত থকাৰ কথা।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যখনৰ সকলো ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পাইছে। ভোটদাতা ৰাইজক আকৰ্ষণ কৰাৰ বাবে বিভিন্ন ৰাজনৈতিক দলে ভিন ভিন কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হৈছে। ইপিনে কেইবাটাও দলে প্ৰাৰ্থীৰ প্ৰথম তালিকাও প্ৰকাশ কৰিছে। মিত্ৰতাকেন্দ্ৰিক সংঘাতৰ বাবে কংগ্ৰেছ আৰু ৰাইজৰ দলে পৃথকে পৃথকে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে।

কংগ্ৰেছে ইতিমধ্যে আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ যোৰহাটৰ, মীৰা বৰঠাকুৰ দিছপুৰৰ প্ৰাৰ্থী হ'ব। ৰাতুল পাটোৱাৰীক টিহু, নাৰায়ণ ভূঞাৰ বিহপুৰীয়া, অশোক শৰ্মাক নলবাৰীত টিকট প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি বঙাইগাঁৱত গিৰিশ বৰুৱা, কমলপুৰত সত্যব্ৰত কলিতা, বৰক্ষেত্ৰীত দিগন্ত বৰ্মন, ছিপাঝাৰত বিনন্দ কুমাৰ শইকীয়া, জাগীৰোডত বুবুল দাস, হাজো-শুৱালকুছিত নন্দিতা দাস, বকো-ছয়গাঁৱত ৰমেন সিং ৰাভা, বৰপেটাত মহানন্দ সৰকাৰ, চামগুৰিত তানজিল হুছেইন, বৰচলাত ৰিপুন বৰা, লামডিঙত স্বপন কৰ, সোণাৰীত উৎপল গগৈ, নাজিৰাত দেবব্ৰত শইকীয়া, কৰিমগঞ্জ উত্তৰ সমষ্টিত জাকাৰিয়া আহমেদ, গৌৰীপুৰত আব্দুছ ছ'বাহন আলী সৰকাৰক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। ৰূপহীহাটত নুৰুল হুদা, জোনাইত ৰাজকুমাৰ মেদক, ডুমডুমাত দুৰ্গা ভূমিজ, মাৰ্ঘেৰিটাত প্ৰতীক বৰদলৈ, চাবুৱা-লাহোৱালত প্ৰাঞ্জল ঘাটোৱাৰ, দুলীয়াজানত ধ্ৰুৱ গগৈক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। দলটোৰ শীৰ্ষ নেতৃত্বই নাহৰকটীয়াত প্ৰণতি ফুকন, মাজুলীত ইন্দ্ৰনীল পেগু, টীয়কত পল্লৱী শইকীয়া গগৈ, শিলচৰত অভিজিৎ পল, বোকাজানত ৰতন ইংতিক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

ইপিনে ৰাইজৰ দলেও আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ১১ জনীয়া প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি ৰমেন চন্দ্ৰ বৰঠাকুৰে জালুকবাৰীত, ডº জ্ঞানশ্ৰী বৰাই মৰিয়নি সমষ্টিত, লক্ষ্যজ্যোতি গগৈয়ে ডিগবৈত, আজিজুৰ ৰহমানে দলগাঁৱত আৰু মেহবুব মুকতাৰে ধিং সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব।

ভাৰতীয় জনতা পাৰ্টিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই জনোৱা অনুসৰি অহা ১০ৰ পৰা ১২ মাৰ্চৰ ভিতৰত বিজেপিৰ প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ সম্ভাৱনা আছে।

**বাইট (দিলীপ শইকীয়া)**

উল্লেখযোগ্য যে কংগ্ৰেছৰ তিনিজন নিলম্বিত বিধায়ক ক্ৰমে কমলাক্ষ দে পুৰকায়স্থ, শশীকান্ত দাস আৰু বসন্ত দাসে আজি বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে অসম গণ পৰিষদৰ সৈতেও বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক বুজাপৰা শীঘ্ৰেই সম্পন্ন হ'ব। তেওঁ লগতে বিপিএফ আৰু ইউ পি পি এল দলকো নিজৰ মাজতে আলোচনা কৰি সিদ্ধান্ত ল'বলৈ কোৱা হৈছে বুলি উল্লেখ কৰে। বিপিএফ দলৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে সংবাদমাধ্যমক জনোৱা অনুসৰি নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে দলটোৱে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব।

০০০০০০

ধেমাজিত আজি বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা উলিওৱা হ'ব। গোগামুখৰ পৰা এই যাত্ৰা ধেমাজি, চিচিবৰগাঁও হৈ জোনাই বিধানসভা সমষ্টিত অন্ত পৰিব। এই উপলক্ষে কালি বিজেপিৰ ধেমাজি জিলা সমিতিৰ কাৰ্যালয়ত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাংসদ প্ৰদান বৰুৱা প্ৰমুখ্যে বিজেপি মিত্ৰজোঁটৰ জিলা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে এখন সংবাদমেলত ভাগ লয়। ডাঃ পেগুৱে উন্নয়ন, সু-শাসন আৰু জনকল্যাণৰ ধাৰা অব্যাহত ৰখাৰ বাবে এই যাত্ৰাত সকলো নাগৰিকক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

বাইট

জন আশীৰ্বাদ যাত্ৰাৰ পৰিপ্ৰেক্ষিতত ধেমাজি আৰক্ষীয়ে যান-বাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি ধেমাজি, গোগামুখ আৰু লখিমপুৰ অভিমুখী জোনাই আৰু চিলাপথাৰৰ ফালৰ পৰা অহা বাহনসমূহ পুৱা ৮ বজাৰ পৰা কোলাজান-ঢকুৱাখনা সংযোগী পথেৰে যাবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে গোগামুখৰ পৰা ধেমাজি, জোনাই আৰু চিলাপথাৰলৈ যোৱা বাহনসমূহক ঢকুৱাখনা পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। ইপিনে, আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণৰ বাবে অহা লোকসকলক তেওঁলোকৰ বাহনসমূহ আন্তঃজিলা বাছ আস্থান, তেলিজান ডি আৰ ডি এ চৌহদ, ধেমাজি ক'ৰ্ট ফিল্ড, ধেমাজি মহাবিদ্যালয়ৰ খেলপথাৰ, পুৰণি বাছ আস্থান আৰু ৰংছটিওৱা পথাৰকে ধৰি নিৰ্ধাৰিত স্থানত পাৰ্কিং কৰিবলৈ কোৱা হৈছে।

০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত আজি ইংলেণ্ডৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত মুম্বাইৰ ৱানখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

কালি প্ৰথমখন ছেমি ফাইনেলত ফিন এলেনৰ অপৰাজিত শতৰানৰ সহায়ত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই বান্ধি দিয়া ১৭০ ৰানৰ লক্ষ্য নিউজিলেণ্ডে এটা উইকেট হেৰুৱাই অনায়াসে ১২ অভাৰ ৫টা বলত বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ আগেয়ে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ফিন এলেনক প্লেয়াৰ অৱ দা মেচৰ ট্ৰফী প্ৰদান কৰা হয়।

আজিৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া ফাইনেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব।

০০০০০০

মধ্য প্ৰাচ্যৰ যুদ্ধৰ সাম্প্ৰতিক পৰিস্থিতি, সমাগত বিধানসভা নিৰ্বাচনক লৈ ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা, বিভিন্ন দলৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ, ভাৰতত ইন্ধনৰ নাটনিৰ আশংকা, ৰাজ্যজুৰি আনন্দ উছাহেৰে দৌল

উৎসৱ পালন আদি বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে স্থান লাভ কৰিছে।

ইয়াৰে মধ্য প্ৰাচ্যৰ যুদ্ধ তথা ইয়াৰ প্ৰভাৱ সম্পৰ্কীয় বাতৰিটো আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অসম কাকতে বাতৰিটোৰ **মহাযুদ্ধ ঃ মুহূৰ্তে মুহূৰ্তে ইছলামিক ৰাষ্ট্ৰৰ আকাশত আমেৰিকা-ইজৰাইলৰ যুদ্ধ বিমানৰ গৰ্জন, ইৰানতে নিহত সহস্ৰাধিক** শিৰোনাম দিছে। একেটা বাতৰিৰ দৈনিক জনমভূমি কাকতৰ শিৰোনাম **ব্ৰিটেইন-ফ্ৰান্স-জাৰ্মানীৰ পাছতে চীনেও ব্যক্ত কৰিলে আনুষ্ঠানিক প্ৰতিক্ৰিয়া, তৃতীয় বিশ্বযুদ্ধৰ আশংকা ঘণীভূত** আৰু দি আছাম ট্ৰিবিউন কাকতৰ শিৰোনাম **US-ISRAEL AIRSTRIKES HIT TEHRAN, OTHER CITIES**।

অসম বিধানসভাৰ আসন্ন নিৰ্বাচনকো আজি কাকতসমূহে বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। আমাৰ অসম কাকতে- **যোৰহাটত গৌৰৰ, বিজেপিত বিভ্ৰান্তি, কংগ্ৰেছৰ বিৰুদ্ধে পুনৰ পৰিয়ালবদৰ অভিযোগ** শিৰোনামেৰে আৰু নিয়মীয়া বাৰ্তা কাকতে **বংশবাদ- পৰাজিত প্ৰাৰ্থীক লৈ ভোটযুদ্ধত কংগ্ৰেছ** শিৰোনামেৰে এই বাতৰি আজি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে ৰাইজৰ দলে প্ৰকাশ কৰা ১১ জনীয়া প্ৰথম প্ৰাৰ্থীৰ তালিকা আৰু কংগ্ৰেছৰ প্ৰথম পৰ্যায়ৰ প্ৰাৰ্থী তালিকা সম্পৰ্কীয় কেইবাটাও বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ৫ বছৰত ৰাজ্যৰ ৫ লাখ বিঘা ভূমি বেদখলমুক্ত কৰা ঘোষণা সম্পৰ্কীয় এটা বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দা ছেণ্টিনেল কাকতে ৰাজ্যৰ নিৰ্বাচনকেন্দ্ৰিক পৰিৱেশৰ মাজতে কংগ্ৰেছৰ তিনিগৰাকী বিধায়কে বিজেপিত যোগদান কৰিবলৈ ওলোৱাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত কালি উলহ-মালহেৰে ফাকুৱা আৰু দৌল উৎসৱ উদযাপনৰ বাতৰিটো আজি প্ৰায়কেইখন বাতৰি কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰন্ধন গেছৰ নাটনি সৃষ্টিৰ পৰিপ্ৰেক্ষিত তেলৰ দাম বৃদ্ধিৰ আশংকাক লৈ কৰা এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু মিজোৰামৰ কিছু কিছু অঞ্চলত পাতলীয়া বৰষুণ আৰু অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**